# অসম জাতীয় বিদ্যালয়
**Assam Jatiya Bidyalay**

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

কৰ্ম মোৰ সংস্কৃতি

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


প্ৰসংগ : অজাবি/০০৯/৩১/২০২৩-২৪
Ref :

তাৰিখ : ১৩-০১-২০২৪
Date :

## অসম জাতীয় বিদ্যালয়ত ‘ভোগালী চ’ৰা’ উদ্‌যাপন

**নুনমাটি, গুৱাহাটী, ১৩ জানুৱাৰী ঃ** ভোগালী বিহুৰ প্ৰাক্‌ক্ষণত আজি নুনমাটিৰ অসম জাতীয় বিদ্যালয়ত ‘ভোগালী চ’ৰা’ অনুষ্ঠিত কৰা হয়। এই উপলক্ষে বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে বন্তি প্ৰজ্বলন কৰি অনুষ্ঠানৰ আৰম্ভণি কৰে। আদৰণী ভাষণত অধ্যক্ষগৰাকীয়ে শিক্ষাৰ্থীসকলক ভোগালী বিহুৰ কৃষ্টি-পৰম্পৰাৰ সৈতে পৰিচিত হ’বলৈ আহ্বান জনায়। বিদ্যালয়ৰ শিক্ষাৰ্থীসকলক ভোগালী বিহুৰ পৰম্পৰাৰ সৈতে পৰিচিত কৰোৱাৰ উদ্দেশ্যে বিদ্যালয় চৌহদত মেজি আৰু ভেলাঘৰ সজা হয়। অনুষ্ঠানত বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে গীত-মাত-আবৃত্তি আদি বিভিন্ন কাৰ্য্যসূচী ৰূপায়ণ কৰাৰ লগতে শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী তথা শিক্ষাৰ্থীৰ অভিভাৱকসকলে কণী যুঁজ, টেকেলী ভঙা আদি বিভিন্ন পৰম্পৰাগত খেলতো অংশগ্ৰহণ কৰে। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি দিলীপ কুমাৰ দত্ত চৌধুৰীয়ে সকলোৰে উদ্দেশ্যি শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। এই অনুষ্ঠানতে বিদ্যালয়ৰ শিক্ষাৰ্থী তথা শিক্ষক-কৰ্মচাৰীসকলে নাম-প্ৰসংগও পৰিবেশন কৰে। ভোগালী চ’ৰাৰ অনুষ্ঠানটোৰ আঁত ধৰে বিদ্যালয়ৰ সমাজ বিজ্ঞান বিভাগৰ জ্যেষ্ঠ শিক্ষক তথা ভোগালী চ’ৰাৰ আহ্বায়ক অসীম কৃষ্ণ বৰুৱাই।

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়

অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020
কৰ্ম মোৰ সংস্কৃতি
☎: 0361-2557921 (Principal)
0361-2654229 (Office)
e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ :
Ref : AJB/09/31/2023-24

তাৰিখ :
Date : 13-01-2024

# Bhogali Chora observed on the premises of Assam Jatiya Bidyalay, Noonmati

**Noonmati, Guwahati, 13 January :** As a part of pre-Magh Bihu celebration, Bhogali Chora was observed as an emblatic way at Assam Jatiya Bidyalay campus, Noonmati. The Principal of the school, Ghanashyam Medhi, lit the ceremonial lamp and the celebration started. The Principal delivered an insightful speech enlightening the students about Bhogali Bihu. A Mezi i.e. a bonfire made of wood, bamboo and hay, and a Bhelaghar were made that imparted the students an authentic outlook on the rituals of Bhogali Bihu. Some students rendered some traditional songs, Naam-Prasanga and recited poems, etc. for the pre-magh Bihu celebration. In addition, the teachers, students and guardians enjoyed different games like koni-juj (egg tapping), tekeli bhonga (pot-breaking) and other such traditional games.The President of the school management committee, Dilip Kumar Dutta Choudhury, addressed the gathering and delivered a brief speech. The whole programme was from 9 am to 12 noon and the over all in-charge of the programme was Ashim krishna Baruah, a senior faculty of the Social Science department. All the members of the school management committee including the Secretary, Academic officers and all the teachers attended the programme.

Ghanashyam Medhi
(Ghanashyam Medhi)
Principal
Assam Jatiya Bidyalay